**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং - ১৬৬**
**উত্তৰ দানৰ তাৰিখ – ২২/০৭/২০২৬**

তৰাযুক্ত প্ৰশ্ন নং – ১৬৬
বিষয়ঃ  নতুনকৈ জলসিঞ্চনৰ ব্যৱস্থা কৰা সম্পৰ্কে।                                   বিধায়ক – ডাঃ আছিফ মঃ নাজাৰঃ

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) মৰিগাঁও জিলাত কিমান শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে ?

(খ) লাহৰিঘাট সমষ্টিত কিমান শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে? বাকী থকা কৃষিভূমিত জলসিঞ্চন কৰিবলৈ বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

(গ) লাহৰিঘাট সমষ্টিত দীৰ্ঘদিন ধৰি বিকল হৈ থকা আঁচনি সমূহৰ নাম জনাবনে ? এই আঁচনিসমূহ কাৰ্য্যক্ষম কৰিবলে বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে? যদি কৰিছে জনাব।

(ঘ) লাহৰিঘাটত থকা সৰু পথাৰবোৰত বিভাগে কৃষক সকলক উপকৃত কৰিবলৈ অগভীৰ নলীনাদ বহুৱাই জলসিঞ্চনৰ ব্যৱস্থা কৰিব নেকি ? জনাব।

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ**

(ক) মৰিগাঁও জিলাত বৰ্তমান ১৬.৪৫ শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে ।

(খ) লাহৰিঘাট সমষ্টিত বৰ্তমান ১৪.০৩ শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে ।

বাকীথকা কৃষিভূমিত জলসিঞ্চনৰ আওঁতালৈ আনিবলৈ জিলা জলসিঞ্চন মূল পৰিকল্পনা (District Irrigation Master Plan) খন প্ৰস্তুত কৰা হৈছে। কৃষকসকলৰ চাহিদা নিৰূপণ, সম্ভাৱ্যতা অধ্যয়ন, প্ৰাৰম্ভিক জৰীপ আদি সম্পন্ন কৰাৰ পিছত বিভাগে পৰ্যায়ক্ৰমে বিভিন্ন শিতানত ৰূপায়ণৰ চিন্তা চৰ্চা কৰিব।

(গ) লাহৰিঘাট সমষ্টিত দীৰ্ঘদিন ধৰি বিকল হৈ থকা আঁচনি সমূহ হল –

ৰজা গা-ধোৱা উত্তোলিত জলসিঞ্চন আঁচনি, ছাতিয়ানতলি উত্তোলিত জলসিঞ্চন আঁচনি, লাহৰিঘাট উত্তোলিত জলসিঞ্চন আঁচনিৰ ২ (দুটা) পাম্প কেন্দ্ৰ, মৈৰাবাৰী গভীৰ নলীনাদ আঁচনি ।

উল্লেখিত আঁচনিসমূহ মেৰামতি কৰি কাৰ্যক্ষম কৰিবলৈ ৰক্ষণাবেক্ষণ আৰু উন্নয়নৰ আধুনিকীকৰণ (MCAD) আৰু বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্প (EAP) ৰ অধীনত প্ৰস্তাৱ দাখিল কৰা হৈছে । কৃষকসকলৰ চাহিদা নিৰূপণ, সম্ভাৱ্যতা অধ্যয়ন, প্ৰাৰম্ভিক জৰীপ আদি সম্পন্ন কৰাৰ পিছত বিভাগে পৰ্যায়ক্ৰমে পৰৱৰ্তী কাৰ্যবিধি গ্ৰহণ কৰিব।

(ঘ) লাহৰিঘাট অঞ্চলত অৱস্থিত সৰু পথাৰসমূহত কৃষকসকলক জলসিঞ্চনৰ সুবিধা প্ৰদান কৰি উপকৃত কৰাৰ উদ্দেশ্যে বিভাগে অগভীৰ নলী-নাদ স্থাপনৰ সম্ভাৱনা বিবেচনা কৰি জৰীপ কৰিছে। কৃষকসকলৰ প্ৰয়োজনীয়তা নিৰ্ধাৰণ, সম্ভাৱ্যতা মূল্যায়ন আৰু প্ৰাৰম্ভিক তথ্য সংগ্ৰহৰ কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত বিভাগে পৰ্যায়ক্ৰমে প্ৰয়োজনীয় পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰিব।

XXXXX